**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 01-07**-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

**-----------------------------**

শ্ৰোতাৰ আদৰৰ আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৭৮ বছৰত ভৰি দিছে। এই উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি পুৰা বিভাগটোৰ লৰীত কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ আলোকচিত্ৰ স্থাপন কৰে। প্ৰয়াত সহকৰ্মী কেইগৰাকীৰ পৰিয়ালে আগবঢ়োৱা এই আলোকচিত্ৰকেইখন আজি আনুষ্ঠানিকভাৱে অনাবৰণ কৰা হয়। অষ্ট সপ্ততিতম্ প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে।

প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত 'ওপজা দিনৰ সুবাস' শীৰ্ষক এটা সংগীতানুষ্ঠানৰ আয়োজন কৰিছে। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিলীপ দাসৰ গীত আৰু আলাপ, ডম্বৰুধৰ পাঠক আৰু জবা দাসৰ লোকগীত, উৎপল বৰাৰ মেন্দোলিন বাদন আৰু ৰঙিয়াৰ সমন্বয়ী কলাকেন্দ্ৰৰ শিল্পীসকলৰ নৃত্যানুষ্ঠান পৰিৱেশন কৰা হ'ব। প্ৰতিষ্ঠা দিৱসৰ প্ৰাক্ সন্ধিয়া আকাশবাণী গুৱাহাটীৰ কক্ষসমূহৰ দুৱাৰমুখ কালি ৰং-বিৰঙী বেলুনেৰে সজাই তোলাৰ লগতে সন্ধিয়ালৈ আলোকসজ্জাৰ ব্যৱস্থা কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি আকাশবাণী গুৱাহাটীৰ প্ৰাচীৰ পত্ৰিকা **আকাশী স্পন্দন**ৰ ষষ্ঠ বৰ্ষৰ একাদশ সংখ্যা আনুষ্ঠানিকভাৱে উন্মোচন কৰা হ'ব। **আকাশী স্পন্দন**ৰ এইবাৰৰ সংখ্যা গণশিল্পী দিলীপ শৰ্মাৰ জন্ম শতবৰ্ষ বিশেষ সংখ্যাৰূপে প্ৰকাশ কৰা হ'ব। আজিৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৱিৱিধ ভাৰতী শাখাত অসমীয়া অনুষ্ঠানৰ প্ৰচাৰ পুনৰ আৰম্ভ কৰিছে। শ্ৰোতাসকলে ১০০ দশমিক ৮ মেগাহাৰ্টজত এই শাখাৰ অনুষ্ঠানসমূহ শুনিব পাৰিব। ইয়াৰ উপৰিও আজিৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰই সাদিনীয়া নাট মহোৎসৱৰ আয়োজন কৰিছে। নাট শৃংখলাত আজি সূৰ্যৰ পৰিচালনাত ড° ভৱেন্দ্ৰ নাথ শইকীয়াৰ **ৰাৱন** শীৰ্ষক নাটকখন প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত আয়োজন কৰা **ওপজা দিনৰ সুবাস** অনুষ্ঠানটো ইয়াৰ মহাবাহু শাখাত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। এই পোনপটীয়াকৈ প্ৰচাৰৰ বাবে আমাৰ আজি সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰিত হ'বলগীয়া অসমীয়া বাতৰি সন্ধিয়া ৬ বাজি ২০ মিনিটত প্ৰচাৰিত হ'ব।

০০০০০০

ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস কালি জিলাখনৰ আৱৰ্ত ভৱনত জিলা প্ৰশাসনৰ বিভাগীয় মুৰব্বীসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকৰ অন্তত মন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয়, যে জিলাখনৰ বিভিন্ন চৰকাৰী আঁচনিৰ হিতাধিকাৰীৰ বাছনি তালিকাৰ তেওঁ ভালদৰে পৰ্যবেক্ষণ কৰিছে আৰু সেইসমূহ উপযুক্ত ৰূপত কাৰ্যকৰী কৰা হ'ব। গোলাঘাটত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কনভয়লৈ বটল দলিওৱাৰ ঘটনাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ঘটনাৰ সৈতে জড়িত দুষ্কৃতিকাৰীক শীঘ্ৰেই চিনাক্ত কৰি কঠোৰ শাস্তি বিহিব লাগে বুলি তেওঁ মন্তব্য কৰে। এই বৈঠকৰ পাছতে মন্ত্ৰীগৰাকীয়ে ধুবুৰী জিলা বিজেপি কাৰ্যালয়ত দলীয় কাৰ্যকৰ্তাসকলৰ সৈতে আন এখন বৈঠকতো মিলিত হয়। শ্ৰী দাসে আজি ধুবুৰী জিলা দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০০০

বিশিষ্ট কবি অনুভৱ তুলসীৰ আজি পুৱা মহানগৰীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মগজুৰ জটিল ৰোগত আক্ৰান্ত হৈ কবিগৰাকী কেইবাদিনো ধৰি চিকিৎসাধীন হৈ আছিল। ১৯৫৮ চনত নগাঁৱত জন্মগ্ৰহণ কৰা অনুভৱ তুলসীয়ে কেইবাখনো কবিতা পুথিৰ জৰিয়তে অসমীয়া সাহিত্য ভঁৰাল চহকী কৰি থৈ গৈছে।

০০০০০০০

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত জিলাখনৰ আয়ুক্তৰ কাৰ্যালয়ত কালি পথ সুৰক্ষা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকখনত বিগত মাহত সংঘটিত দুৰ্ঘটনাসমূহৰ কাৰণবোৰ বিতংকৈ পৰ্যালোচনা কৰাৰ লগতে পথ দুৰ্ঘটনা ৰোধৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ সন্দৰ্ভত আলোচনা কৰা হয়। সভাত জিলা আয়ুক্তগৰাকীয়ে পথ সুৰক্ষা সম্বন্ধীয় নীতি-নিৰ্দেশনাসমূহ জিলাখনত কঠোৰভাৱে বলৱৎ কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। ডিব্ৰুগড় পৌৰনিগমৰ আয়ুক্ত জয় বিকাশ, অতিৰিক্ত জিলা আয়ুক্ত বিৰাজ বৰুৱা, অতিৰিক্ত আৰক্ষী অধীক্ষক অতুল কুমাৰকে ধৰি লোকনিৰ্মাণ, শিক্ষা, যান-বাহন শাখা, অসম শক্তি বিতৰণ কোম্পানী লিমিটেড আদি বিভাগৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০০

দিনজোৰা কাৰ্যসূচীৰে আজি গোৱালপাৰা জিলা দিৱস পালন কৰা হৈছে। অবিভক্ত গোৱালপাৰা জিলাৰ পৰা ১৯৮৩ চনৰ এক জুলাইত তিনিখন পৃথক জিলা গঠন হৈছিল। ৰাজ্য চৰকাৰৰ নিৰ্দেশ অনুসৰি বিগত চাৰি বছৰৰ পৰা পহিলা জুলাইৰ দিনটো গোৱালপাৰা জিলা দিৱস হিচাপে পালন কৰি অহা হৈছিল। জিলা দিৱসৰ দিনজোৰা কাৰ্যসূচীৰ অংশ হিচাপে আজি পুৱা পঞ্চৰন্নৰ পৰা জিলা আয়ুক্তৰ কাৰ্যালয়লৈকে মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। দিনটোত পালন কৰিবলগীয়া বিভিন্ন কাৰ্যসূচীৰ লগতে বিয়লিলৈ গোৱালপাৰা চহৰৰ নটসূৰ্য ফণী শৰ্মা ভৱনত সম্বৰ্ধনা সভা আৰু সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

০০০০০০০

ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস কালি জিলাখনৰ আৱৰ্ত ভৱনত জিলা প্ৰশাসনৰ বিভাগীয় মুৰববীসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকৰ অন্তত মন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয়, যে জিলাখনৰ বিভিন্ন চৰকাৰী আঁচনিৰ হিতাধিকাৰীৰ বাছনি তালিকাৰ তেওঁ ভালদৰে পৰ্যবেক্ষণ কৰিছে আৰু সেইসমূহ উপযুক্ত ৰূপত কাৰ্যকৰী কৰা হ'ব। গোলাঘাটত মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাৰ কনভয়লৈ বটল দলিওৱাৰ ঘটনাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ঘটনাৰ সৈতে জড়িত দুষ্কৃতিকাৰীক শীঘ্ৰেই চিনাক্ত কৰি কঠোৰ শাস্তি বিহিব লাগে বুলি তেওঁ মন্তব্য কৰে। এই বৈঠকৰ পাছতে মন্ত্ৰীগৰাকীয়ে ধুবুৰী জিলা বিজেপি কাৰ্যালয়ত দলীয় কাৰ্যকৰ্তাসকলৰ সৈতে আন এখন বৈঠকতো মিলিত হয়। শ্ৰী দাসে আজি ধুবুৰী জিলা দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০০০

গোলাঘাটত কালি মুখ্যমন্ত্ৰীৰ কনভয়লৈ বটল নিক্ষেপ কৰাৰ সন্দেহত আৰু ক'লা পতাকা প্ৰদৰ্শন কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ বাবে গোলাঘাট আৰক্ষীয়ে চাৰিজন কংগ্ৰেছ কৰ্মীক আটক কৰিছে। আমাৰ সংবাদদাতাই জনোৱা মতে আটক কৰা সকলক অসম প্ৰদেশ যুৱ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক তথা গোলাঘাট জিলা যুৱ কংগ্ৰেছৰ তত্বাৱধায়ক পাৰ্থ সাৰথি বৰা, জিলাখনৰ যুৱ কংগ্ৰেছ কমিটীৰ সভাপতি ৰূপান্তৰ তাঁতী আৰু কৃষ্ণা চুতীয়া তথা ৰাহুল শইকীয়া বুলি জানিব পৰা গৈছে। এই ঘটনা সংক্ৰান্তত আৰক্ষীয়ে সৰুপথাৰ সমষ্টিৰ পৰা আন এজন কৰ্মীকো আটক কৰিছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ অধীনৰ বিশেষভাৱে সক্ষম ব্যক্তি বিভাগে তিনিটা শাখাত বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ কাৰণে নিৰ্ধাৰিত বৃত্তিৰ বাবে আবেদন বিচাৰিছে। এই আবেদন ৰাষ্ট্ৰীয় বৃত্তি প'ৰ্টেল www.scholarship.gov.in ত জমা দিব লাগিব। আবেদনকাৰী ছাত্ৰ-ছাত্ৰীৰ ৪০ শতাংশ শাৰীৰিক অক্ষমতাৰ প্ৰমাণ পত্ৰ থকাৰ লগতে বাৰ্ষিক আয় আঢ়ৈ লাখ টকাতকৈ কম হ'ব লাগিব। প্ৰাৰ্থীৰ আধাৰ নম্বৰ অথবা পিতৃ-মাতৃৰ বেংক একাউণ্ট থাকিব লাগিব। দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ আগত পাবলগীয়া বৃত্তিৰ ক্ষেত্ৰত ৩১ আগষ্টৰ ভিতৰত আৰু দশম শ্ৰেণীৰ পৰৱৰ্তী বৃত্তিৰ ক্ষেত্ৰত ৩১ অক্টোবৰৰ ভিতৰত অনলাইন আবেদন দাখিল কৰিব লাগিব।

০০০০০০০

**সমাপ্ত**